# 2018

## ASSAMESE

## ( Major )

Paper : 6.6

( ভাষা-বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ভাষাৰ ন্যূনতম একক কি?

(খ) *An Introduction to Descriptive Linguistics* গ্ৰন্থখনৰ লেখক কোন?

(গ) Grammar শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(ঘ) কিছুমান ভাষাত প্ৰাণী-অপ্ৰাণীৰ ভেদ নাৰাখিও লিঙ্গভেদ দেখুওৱা হয়। এই লিঙ্গক কি বুলি কোৱা হয়?

(ঙ) ভাষাৰ স্বয়ংসম্পূৰ্ণ সুকীয়া উপাদানটোক বহল অৰ্থত কি বোলা হয়?

(চ) ৰূপৰ অৰ্থবহ সমষ্টিক কি বোলে ?

(ছ) ভাষাৰ বৃহত্তম একক কি ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) "বাক্ধ্বনিৰ কোনো নিজস্ব অৰ্থ নাই।" কথাষাৰ উদাহৰণেৰে বুজাই লিখা।

(খ) শ্বাসাঘাত বুলিলে কি বুজা ?

(গ) শূন্য বিভক্তি কি ?

(ঘ) শব্দৰ অৰ্থৰ অৱনতি বুলিলে কি বুজা ?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ধ্বনিতত্ত্ব (Phonology) আৰু ধ্বনিবিজ্ঞান (Phonetics)

(খ) সমকালিক (Synchronic) আৰু কালক্ৰমিক (Diachronic) ভাষা-বিজ্ঞান

(গ) পিজিন (Pidgin) আৰু ক্ৰেওল (Creole)

(ঘ) বাক্যত ব্যৱহৃত শব্দবোৰৰ শ্ৰেণী বিভাজন

(ঙ) শব্দৰেখা (Isogloss)





৪। (ক) ধ্বনিবিজ্ঞান বুলিলে কি বুজা ? ইয়াৰ আলোচ্য বিষয় কি কি ? ধ্বনিবিজ্ঞানৰ বিভিন্ন শাখাৰ চমু পৰিচয় দাঙি ধৰা। ২+২+৬=১০

*অথবা*

(খ) প্ৰাকৃতি কাক বোলে ? আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ৩+৭=১০

৫। (ক) ভাষা-বিজ্ঞান বুলিলে কি বুজা ? ভাষা-বিজ্ঞানক 'বিজ্ঞান' বোলাৰ যুক্তি আছেনে ? ঐতিহাসিক আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) উপভাষা-বিজ্ঞান বুলিলে কি বুজা ? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা আগবঢ়োৱা। ২+৮=১০

৬। (ক) শব্দাৰ্থ বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰ উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) বাকতত্ত্ব কি ? বাক্যক কি কি দিশৰ পৰা শ্ৰেণী বিভাজন কৰিব পাৰি ? গঠনৰীতিৰ দিশৰ পৰা বাক্যক ভাগ কৰি, প্ৰতিটি ভাগৰ বিষয়ে আলোচনা কৰা। ২+২+৬=১০

★★★